**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-11-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। জলবায়ু পৰিবৰ্তনে সাম্প্ৰতিক সময়ত জলচক্ৰত পেলোৱা প্ৰভাৱ সম্পৰ্কে উল্লেখ কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ জনসাধাৰণক পানীৰ পৰ্যাপ্ত সংৰক্ষণ আৰু জলসুৰক্ষা নিশ্চিত কৰাৰ বাবে আহ্বান জনাইছে।

২। নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি ৰাজ্যত আজি ভোটাৰ তালিকাৰ বিশেষ সংশোধনী প্ৰক্ৰিয়া আৰম্ভ হৈছে।

৩। বিহাৰৰ নৱনিৰ্বাচিত বিজেপিৰ বিধায়ক সকলে আজি দলপতি নিৰ্বাচনৰ বাবে পাটনাত সমবেত হ'ব।

৪। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি নতুন দিল্লীত ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত মূলধনী বজাৰৰ সৈতে জড়িত একাংশ অংশীদাৰৰ সৈতে চতুৰ্থখন প্ৰাক্ বাজেট আলোচনাত মিলিত হয়।

*আৰু*

৫। অন্ধ্ৰপ্ৰদেশৰ আল্লুৰী সীতাৰামা ৰাজু জিলাৰ মাৰেডুমিল্লি অঞ্চলত আৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত এজন শীৰ্ষ নেতাসহ ৬জন মাওবাদী বিদ্ৰোহীৰ মৃত্যু হয়।

0000000

জলবায়ু পৰিবৰ্তনে সাম্প্ৰতিক সময়ত জলচক্ৰত পেলোৱা প্ৰভাৱ সম্পৰ্কে উল্লেখ কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ জনসাধাৰণক পানীৰ পৰ্যাপ্ত সংৰক্ষণ আৰু জলসুৰক্ষা নিশ্চিত কৰাৰ বাবে আহ্বান জনাইছে। নতুন দিল্লীত আজি ষষ্ঠ ৰাষ্ট্ৰীয় জ ল বঁটা ২০২৪ আৰু প্ৰথম জল সঞ্চয় জনঅংশীদাৰী বঁটা প্ৰদান কৰি দিয়া ভাষণত ৰাষ্ট্ৰপতিগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে পানীৰ যথাযথ ব্যৱহাৰ দেশৰ ভৱিষ্যতৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ হ'ব।

0000000

নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি ৰাজ্যত আজি ভোটাৰ তালিকাৰ বিশেষ সংশোধনী প্ৰক্ৰিয়া আৰম্ভ হৈছে। নিৰ্বাচন আয়োগে অসমৰ মুখ্য নিৰ্বাচনী বিষয়ালৈ কালি জাৰি কৰা নিৰ্দেশনা অনুসৰি ২০২৬ চনৰ ১ জানুৱাৰীক ভিত্তি দিন হিচাপে লৈ ভোটাৰ তালিকাৰ বিশেষ সংশোধনী কৰা হ'ব। এই অনুসৰি আজিৰ পৰা এই সম্পৰ্কীয় নথি পত্ৰ ছপা আৰু নিৰ্বাচনৰ সৈতে জড়িত বিষয়া কৰ্মচাৰীৰ প্ৰশিক্ষণ আৰম্ভ হৈছে। ২২ নৱেম্বৰৰ পৰা বি এল অ' সকলে ভোটাৰৰ ঘৰে ঘৰে গৈ নথি-পত্ৰসমূহ পৰীক্ষা কৰিব। ২১ ডিচেম্বৰৰ পৰা ২৬ ডিচেম্বৰৰ ভিতৰত সমন্বিত খচৰা ভোটাৰ তালিকা প্ৰস্তুত কৰা হ'ব। ২৭ ডিচেম্বৰত

খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। এই সম্পৰ্কত থকা দাবী আৰু ওজৰ আপত্তিসমূহ ২ ফেব্ৰুৱাৰীৰ ভিতৰত নিষ্পত্তি কৰা হ'ব। অহা বছৰৰ ১০ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। নিৰ্বাচন আয়োগে জাৰী কৰা জাননী অনুযায়ী সংবিধানৰ ৩২৬ ধাৰাৰ অধীনত আৰু ১৯৫০ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ১৬ আৰু ১৯ নম্বৰ অনুচ্ছেদৰ অধীনত ৰাজ্যখনত বসবাস কৰা আৰু ১ জানুৱাৰীত ১৮ বছৰ সম্পূৰ্ণ হ'বলগীয়া নাগৰিকৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰা হ'ব।

নিৰ্বাচন আয়োগৰ এই সিদ্ধান্তক অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আদৰণি জনাই কয় যে, ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ জৰিয়তে অসমে এখন নিকা আৰু উন্নত ভোটাৰ তালিকা লাভ কৰিব। নিৰ্বাচন আয়োগক এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে পূৰ্ণ সহযোগিতা আগবঢ়াব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

উল্লেখযোগ্য যে অসমৰ বাবে নাগৰিকত্ব আইনৰ বিশেষ ধাৰা থকাৰ কাৰণে ইয়াৰ পূৰ্বে নিৰ্বাচন আয়োগে অসমৰ ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণৰ নিৰ্দেশনা দিয়া নাছিল। যোৱা মাহত নিৰ্বাচন আয়োগে চত্তিশগড়, গোৱা, কেৰেলা, গুজৰাট, মধ্যপ্ৰদেশ, ৰাজস্থান, তামিলনাডু, উত্তৰ প্ৰদেশ, পশ্চিমবংগ, পুডুচেৰী, আন্দামান নিকোবৰ দ্বীপপুঞ্জ আৰু লাক্ষাদ্বীপত ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণৰ নিৰ্দেশনা জাৰি কৰিছিল।

ooooooo

বিধিবলবৎকাৰী সঞ্চালকালয়, ই ডিয়ে শেহতীয়া দিল্লী বিস্ফোৰণৰ সৈতে নাম সাঙোৰ খোৱা আল ফালাহ গোষ্ঠীৰ দিল্লী আৰু ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলত থকা ২৫ৰো অধিক স্থানত আজি অভিযান চলায়। বিত্তীয় অনিয়ম, বেনামী কোম্পানী ব্যৱহাৰ আৰু ধন সৰবৰাহ সন্দৰ্ভত চলি থকা গোচৰৰ অংশ হিচাপে ই ডিয়ে এই অভিযান চলায়। ই ডিয়ে প্ৰকাশ কৰা অনুসৰি আল ফালাহ গোষ্ঠীৰ সৈতে জড়িত ৯টা অবৈধ কোম্পানীৰ বিৰুদ্ধে তদন্ত কৰি থকা হৈছে। এই আটাই কেইটা কোম্পানী একেটা ঠিকনাতে পঞ্জীয়ন হোৱা বুলি তদন্ত সংস্থাটোৱে প্ৰকাশ কৰে। ইয়াৰ লগতে আল ফালাহ বিশ্ববিদ্যালয়ৰ বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু নাকৰ স্বীকৃতি সন্দৰ্ভত উঠা অভিযোগৰো তদন্ত চলি আছে।

দিল্লীৰ লালকিল্লাৰ সমীপত ১০ নৱেম্বৰত হোৱা বোমা বিস্ফোৰণৰ ঘটনাত কেইবাগৰাকীও চিকিৎসকক গ্ৰেপ্তাৰ কৰাৰ পাছতে এই বিশ্ববিদ্যালয়খন তদন্তৰ আওতালৈ আহে।

ooooooo

বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাচিনা আৰু প্ৰাক্তন গৃহমন্ত্ৰী আছাদুজ্জামান খান কমলক যোৱা বছৰৰ দেশজোৰা বিক্ষোভত মানৱতাৰ বিৰুদ্ধে অপৰাধ সংঘটিত কৰাৰ অভিযোগত দেশখনৰ আন্তৰ্জাতিক অপৰাধ ন্যায়াধিকৰণে দিয়া মৃত্যুদণ্ড ৰায়ক এমনেষ্টি ইণ্টাৰনেচনেলে গৰিহণা দিছে। সংস্থাটোৰ সচিব প্ৰধান এগনেচ কালামাৰ্ডে এটা বিবৃতিত কয়, যে বাংলাদেশৰ শাসনত থকা সকলে ন্যায় ব্যৱস্থাৰ ব্যাপক অপব্যৱহাৰ কৰিছে। যোৱা বছৰৰ হিংসাত্মক ঘটনাৰ ভুক্তভোগীসকলক ন্যায় প্ৰদানক ন্যায়াধিকৰণৰ ৰায় ব্যৰ্থ হোৱা বুলি উল্লেখ কৰি সচিব প্ৰধানগৰাকীয়ে কয়, যে বাংলাদেশত সম্প্ৰতি মানৱ অধিকাৰৰ সংকট অধিক গভীৰ হৈছে। সংস্থাটোৱে এই ৰায়ক ৰাজনৈতিক প্ৰভাৱিত হিচাপে অভিহিত কৰে।

ooooooo

বিহাৰৰ নৱনিৰ্বাচিত বিজেপিৰ বিধায়ক সকলে আজি দলপতি নিৰ্বাচনৰ বাবে পাটনাত সমবেত হ'ব। দলটোৰ পৰ্যবেক্ষকসকলেও এই বৈঠকত অংশ ল'ব বুলি ৰাজ্যখনৰ বিজেপি সভাপতি দিলীপ

জয়ছোৱালে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে শেহতীয়া বিহাৰ বিধানসভা নিৰ্বাচনত দলটো ৮৯ খন আসনত জয়ী হৈছিল।

ইপিনে জনতা দল ইউনাইটেডৰ বিধায়িনী দলে নিজৰ দলপতি নিৰ্বাচনৰ বাবে কাইলৈ পাটনাত মিলিত হোৱাৰ সম্ভাৱনা আছে। দলটোৰ নৱনিযুক্ত বিধায়কসকল কালি সমবেত হোৱাৰ কথা আছিল যদিও, বিশেষ কাৰণত সেয়া বাতিল কৰা হয়। জনতা দল ইউনাইটেডৰ বৈঠকৰ সময় সালসলনি হোৱাৰ পৰিপ্ৰেক্ষিতত আজি হ'বলগীয়া এন ডি এৰ বৈঠকো স্থগিত হোৱাৰ সম্ভাৱনাই দেখা দিছে। এন ডি এৰ অংশীদাৰ প্ৰতিটো দলেই বিধায়িনী বৈঠক অনুষ্ঠিত কৰি নিজ নিজ দলৰ নেতা নিৰ্বাচন কৰাৰ অন্তত এন ডি এৰ বিধায়িনী বৈঠকখন অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে আৰ জে ডি দলৰ নৱনিযুক্ত বিধায়কসকলৰ এখন বৈঠকত কালি তেজস্বী প্ৰসাদ যাদৱক বিধায়িনী দলৰ নেতা নিৰ্বাচন কৰা হয়।

অহা বৃহস্পতিবাৰে পাটনাৰ গান্ধী ময়দানত বিহাৰৰ নতুন মন্ত্ৰীসভাৰ শপতগ্ৰহণ অনুষ্ঠান সম্পন্ন হোৱাৰ কথা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে এন ডি এৰ কেইবাগৰাকী জ্যেষ্ঠ নেতা আৰু মন্ত্ৰী এই অনুষ্ঠানত উপস্থিত থাকিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কাইলৈ অন্ধ্ৰপ্ৰদেশ আৰু তামিলনাডুলৈ যাব। অন্ধ্ৰপ্ৰদেশ ভ্ৰমণকালত শ্ৰীমোডীয়ে পুট্টাপাৰ্থিতৈত থকা ভগৱান শ্ৰীসত্যসাই বাবাৰ মহাসমাধিত শ্ৰদ্ধা তৰ্পণ কৰিব। তেওঁ লগতে শ্ৰীসত্যসাই বাবাৰ শতবৰ্ষ উদযাপন উপলক্ষে আয়োজিত অনুষ্ঠানত অংশ লৈ শ্ৰীসত্যসাই বাবাৰ স্মাৰক মুদ্ৰা এটা উন্মোচন কৰিব। প্ৰধানমন্ত্ৰীয়ে ইয়াৰ পাছত তামিলনাডুৰ কইম্বা টুৰত দক্ষিণ ভাৰতৰ প্ৰাকৃতিক কৃষি সন্মিলন উদ্বোধন কৰিব। এই অনুষ্ঠানত তেওঁ পি এম কিষাণ আঁচনিৰ একবিংশ কিস্তিও মুকলি কৰিব। ইয়াৰ অধীনত দেশৰ ৯ কোটি কৃষকক ১৮ হাজাৰতকৈও অধিক ধন প্ৰদান কৰা হ'ব।

০০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি নতুন দিল্লীত ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত মূলধনী বজাৰৰ সৈতে জড়িত একাংশ অংশীদাৰৰ সৈতে চতুৰ্থখন প্ৰাক্ বাজেট আলোচনাত মিলিত হয়। এই বৈঠকত কেন্দ্ৰীয় বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধাৰী, অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ সচিব আৰু ভাৰত চৰকাৰৰ মুখ্য অৰ্থনৈতিক উপদেষ্টা উপস্থিত থাকে।

বিত্ত মন্ত্ৰালয়ে একোটা বিত্তীয় বৰ্ষৰ বাজেট দাখিলৰ পূৰ্বে প্ৰতিবছৰে বিভিন্ন ক্ষেত্ৰৰ বিশেষজ্ঞ, উদ্যোগপতি, অৰ্থনীতিবিদ আৰু ৰাজ্যিক বিষয়বৰ্গৰ সৈতে কেইবাখনো প্ৰাক্ বাজেট আলোচনা বৈঠকত মিলিত হয়।

০০০০০০০

অন্ধ্ৰপ্ৰদেশৰ আল্লুৰী সীতাৰামা ৰাজু জিলাৰ মাৰেডুমিল্লি অঞ্চলত আৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত এজন শীৰ্ষ নেতাসহ ৬জন মাওবাদী বিদ্ৰোহীৰ মৃত্যু হয়। অঞ্চলটোত আৰক্ষীয়ে অভিযান চলাই থকাৰ সময়তে পুৱা ৬ বজাৰ পৰা ৭ বজাৰ ভিতৰত এই সংঘৰ্ষৰ সূত্ৰপাত হয়। সমগ্ৰ অঞ্চলটোতে অভিযান অব্যাহত আছে।

০০০০০০০

নাগালেণ্ড চৰকাৰে ব্ৰিটেইনক এই বছৰ হ'বলগীয়া হৰ্নবিল মহোৎসৱৰ ৰাষ্ট্ৰ অংশীদাৰ হিচাপে ঘোষণা কৰিছে। চলিত বছৰৰ ১ৰ পৰা ১০ ডিচেম্বৰলৈকে ক'হিমাৰ কিচামা গাঁৱত এই মহোৎসৱ অনুষ্ঠিত হ'ব।

এই সন্দৰ্ভত নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ' আৰু ভাৰতৰ ব্ৰিটিছ্ কাউঞ্চিলৰ সঞ্চালক এলিচন বাৰেটৰ মাজত কালি এখন চুক্তি সম্পাদন হয়। চুক্তি সম্পাদনৰ সময়ত নতুন দিল্লীত ভাৰতৰ ব্ৰিটিছ্ উচ্চায়ুক্ত লিণ্ডী কেমেৰ'ন আৰু দুয়োপক্ষৰ প্ৰতিনিধিবৰ্গ উপস্থিত থাকে।

০০০০০০০

আন্তৰ্জাতিক গীতা মহোৎসৱ উদযাপনৰ অংশ হিচাপে নেপালৰ কাঠমাণ্ডুত থকা ভাৰতৰ দূতাবাসে সাম্প্ৰতিক বিশ্বত ভাগৱত গীতাৰ প্ৰাসংগিকতা শীৰ্ষক এখন আলোচনা চক্ৰৰ আয়োজন কৰে। নেপাল, সংস্কৃতি বিশ্ববিদ্যালয় আৰু ত্ৰিভুবন বিশ্ববিদ্যালয়ৰ কেইবাগৰাকীও অধ্যাপকে গীতাৰ বিভিন্ন দিশত আলোকপাত কৰি বক্তব্য আগবঢ়ায়। তেওঁলোকে ভাগৱত গীতাৰ অন্তহীন জ্ঞান আৰু আধুনিক যুগত ইয়াৰ প্ৰাসংগিকতা সন্দৰ্ভত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। ত্ৰিভূবন বিশ্ববিদ্যালয় সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক ড০ নাৰায়ণ প্ৰসাদ গৌতমে কয়, যে ঋষি বেদব্যাসে কুৰুক্ষেত্ৰৰ যুদ্ধ দেখা পোৱাকৈ সঞ্জয়ক দিব্যদৃষ্টি প্ৰদান কৰিছিল। নেপাল সংস্কৃত বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড০ প্ৰেমৰাজ নিউপানেই ভাগৱত গীতাৰ কৰ্মযোগৰ ব্যাখ্যা কৰে। এই অনুষ্ঠানত ভাগৱত গীতাৰ বিষয়বস্তুক লৈ স্থানীয় শিল্পীয়ে নৃত্য-সংগীত পৰিবেশন কৰে।

০০০০০০০

সমাপ্ত